**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-06-2025 **Time :** 1845Hrs.

**<u>Assamese Evening Bulletin</u>**
**<u>Headlines</u>**
**0000**

১। অসম বিধানসভাৰ কাইলৈ এদিনীয়া বিশেষ অধিবেশন।

২। ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ আসন দুখনৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। বিৰোধী দলৰ প্ৰাৰ্থিত্ব নিদিয়াৰ সিদ্ধান্ত।

৩। বিত্ত আৰু কৃষি বিভাগৰ সৈতে বৈঠকত মিলিত হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা।

৪। আকাশবাণীৰ আজি ৯০ বছৰ সম্পূৰ্ণ।

*আৰু*

৫। মণিপুৰত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ পাঁচখন জিলাত ইণ্টাৰনেট আৰু মোবাইল সেৱা বন্ধ।

০০০০০০

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন কাইলৈ অনুষ্ঠিত হ'ব। বিধানসভাৰ বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীগোটৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি সদনে এই প্ৰস্তাৱ গ্ৰহণ কৰিব। এদিনীয়া বিশেষ অধিবেশনত প্ৰশ্নোত্তৰ শিতান নাথাকে। সদনৰ শূন্যকালীন ঘণ্টাতো বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হ'ব। অতি সম্প্ৰতি প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা গৌৰৱ গগৈয়ে বিধানসভাৰ বিশেষ অধিবেশনৰ প্ৰৱেশ পত্ৰ বিচাৰি বিধানসভাৰ অধ্যক্ষক আবেদন জনাইছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ আবেদনৰ ভিত্তিত অধ্যক্ষগৰাকীয়ে প্ৰৱেশ পত্ৰ প্ৰদান কৰিছে। অধ্যক্ষৰ গেলাৰীৰ পৰা গৌৰৱ গগৈয়ে দৰ্শক হিচাপে বিধানসভাৰ কাৰ্যক্ৰমণিকা চাব পাৰিব।

০০০০০০০

ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ আসন দুখনৰ বাবে ৰাজ্যৰ বিৰোধী দল তথা কংগ্ৰেছে প্ৰাৰ্থিত্ব আগ নবঢ়ায়। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি কংগ্ৰেছ দলটোৱে প্ৰকাশ কৰিছে। নিৰ্বাচনী অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনেই শাসকীয় মিত্ৰজোঁটৰ দখলত আছে। বিৰোধীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব আগ নবঢ়োৱাৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট কৰিলে। আসন দুখনৰ নিৰ্বাচনৰ বাবে কাইলৈ

মনোনয়ন দাখিলৰ অন্তিম দিন। কাইলৈ আবেলি ৩ বজাৰ পূৰ্বে প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ইতিমধ্যে শাসনাধিস্থিত এন ডি এই অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ দুখন আসনৰ বাবে প্ৰাৰ্থী নাম চূড়ান্ত কৰিছে। বিজেপিয়ে কনাড পুৰকায়স্থ আৰু অগপই বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। ৰাজ্যসভাৰ তিনিবাৰৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যকে পুনৰ প্ৰাৰ্থিত্ব দিয়াৰ সন্দৰ্ভত অগপ সভাপতি অতুল বৰাই এনেদৰে কয়–

**বাইট (অতুল বৰা)**

উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিত্ত আৰু কৃষি বিভাগৰ সৈতে বৈঠকত মিলিত হৈ তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই এই বৈঠকত ২০২৫-২৬ বৰ্ষত ৰাজ্যসমূহলৈ মূলধনী বিনিয়োগৰ ক্ষেত্ৰত বিশেষ সাহায্য আঁচনিৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। আলোচনা কালত চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় সাধন কৰি জনসাধাৰণক নিৰ্দ্ধাৰিত সময়ত স্বচ্ছ আৰু নিকা ৰূপত আঁচনি ৰূপায়ণত গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকত ২০২২ বৰ্ষৰ বিত্তীয় ক্ষমতা নীতি সন্দৰ্ভত আলোচনা কৰাৰ লগতে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান, আৰক্ষী অধীক্ষক আৰু কামাণ্ডেণ্টসকলৰ বিত্তীয় ক্ষমতা সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকখনত অসম আৰক্ষীৰ পদোন্নতি সম্পৰ্কীয় বিষয়ো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এপাৰ্টৰ দ্বিতীয় পৰ্যায়ৰ প্ৰকল্প ৰূপায়ণৰ দ্বাৰা ৰাজ্যখনৰ গ্ৰামাঞ্চলত ৰূপান্তৰ সাধনৰ লক্ষ্যৰে যুগুত কৰা এটা প্ৰতিবেদনো প্ৰত্যক্ষ কৰে। তেওঁ যোগান শৃংখলা শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধি আৰু স্বনিৰ্ভৰশীলতা অৰ্জনৰ ক্ষেত্ৰতো গুৰুত্ব দিয়ে। মুখ্যমন্ত্ৰী এখন জিলা এবিধ সামগ্ৰী আৰ্হিক জনপ্ৰিয় কৰি বজাৰসমূহৰ মাজত উন্নত যোগাযোগ ব্যৱস্থ গঢ়ি তুলিবলৈও বিষয়াসকলক পৰামৰ্শ দিয়ে। তদুপৰি ৰাজ্যখনৰ উন্নয়নত বিশেষভাৱে অৰিহনা যোগোৱা চাহ, বাঁহ, অগৰ, নেমু, মৌ, সৰিয়হ আৰু ধান খেতিৰ সম্ভাৱনীয়তা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। এই বৈঠকত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু কৃষি মন্ত্ৰী অতুল বৰাৰ লগতে বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

গুৱাহাটীৰ ৰূপনগৰত শুকুৰবাৰে নিশা হোৱা ভূমিস্খলনৰ ফলত মৃত্যু হোৱা মনেশ্বৰ ৰাজবংশীৰ পৰিয়ালৈ চৰকাৰে ৪ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে। ৰাজ্য চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি দুপৰীয়া ভাগত প্ৰয়াত মনেশ্বৰ ৰাজবংশীৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হৈ প্ৰয়াত ৰাজবংশীৰ পৰিয়ালবৰ্গক ৪ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে ৰূপনগৰৰ ভূমিস্খলন হোৱা অঞ্চলো পৰিদৰ্শন কৰি ভূমিস্খলন প্ৰৱন অঞ্চলটোৰ সোমবাৰৰ পৰা ভূতাত্বিক বিভাগৰ জৰিয়তে জৰীপ কৰাবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

শুকুৰবাৰৰ নিশা ভূমিস্খলন হোৱা স্থানৰ সমীপত পুনৰ ভূমিস্খলন হোৱাৰ আশংকা অঞ্চলটোৰ ৯টা পৰিয়ালক চৰকাৰে আশ্ৰয় শিবিৰত থকাৰ ব্যৱস্থা কৰি দিছে। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই শিবিৰ পৰিদৰ্শন কৰি সুবিধা-অসুবিধাৰ বুজ লয়।

0000000

সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। প্ৰতিগৰাকী নাগৰিকৰ দৈনন্দিন জীৱন কেনেদৰে সুচল, সুৰক্ষিত হৈ পৰিছে সেই বিষয়ে আজিৰ শিতানত আমি অৱলোকন কৰিম।

কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ বছৰে উত্তৰ-পূৰ্বাঞ্চলত কেৱল আন্তঃগাঁথনিকে নহয়, জনসাধাৰণৰ বাবেও বিনিয়োগ কৰি আহিছে। চৰকাৰৰ পি এম ডিভাইন উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি আৰু অভিলাষী জিলা আঁচনিৰ দৰে ধবজাবাহী আঁচনিৰ জৰিয়তে অঞ্চলটোৰ তৃণমূল পৰ্যায়ৰ উন্নয়ন ক্ষিপ্ৰতৰ কৰি তুলিছে। বন-ধন যোজনাৰ জৰিয়তে ৩ লাখৰো অধিক জনজাতীয় লোকক সমৰ্থন আগবঢ়াইছে। ৪৩৪টা কৃষি ভিত্তিক কোম্পানীৰ জৰিয়তে  দুই লাখৰো অধিক কৃষকে সংগঠিত কৃষি ব্যৱসায়ৰে উপকৃত হৈছে। অঞ্চলটোৱে জৈৱিক উৎপাদক হিচাপে বিশেষ স্বীকৃতি লাভ কৰাৰ লগতে খোৱাতেল, বাঁহ, আগৰ কাঠ, এৰী সুতা, পাত সুতা আদি পৰম্পৰাগত উৎপাদিত সামগ্ৰী ৰাষ্ট্ৰীয় পৰ্যায়ৰ বজাৰতো সমাদৰ বৃদ্ধি পাইছে। শিক্ষা, স্বাস্থ্য আদি ক্ষেত্ৰতো উন্নতি হৈছে। সাক্ষৰতাৰ হাৰো বৃদ্ধি পাইছে। মিজোৰাম ইতিমধ্যে সম্পূৰ্ণ সাক্ষৰ ৰাজ্য হিচাপে স্বীকৃত হৈছে। একে সময়তে ১৫ খন কৰ্কট ৰোগৰ চিকিৎসালয়ৰে অসম দক্ষিণ এছিয়াৰ সৰ্ববৃহৎ কৰ্কট চিকিৎসা কেন্দ্ৰলৈ ৰূপান্তৰ হৈছে। অসমৰ সাংস্কৃতিক উৎসৱে বিশ্ব দৰবাৰত স্বীকৃতি লাভ কৰাৰ লগতে চৰাইদেউৰ মৈদাম বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। বৰ্তমান উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ ইঞ্জিনলৈ পৰিণত হৈছে। অঞ্চলটোৰ বিচিত্ৰতা উন্নয়নৰ সুযোগ হৈ পৰিছে।

000000

আকাশবাণীয়ে আজি ৯০ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৩৬ চনৰ আজিৰ তাৰিখতে ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিচক অল ইণ্ডিয়া ৰেডিঅ' নামেৰে আৰু স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত ১৯৫৬ চনত ইয়াক আকাশবাণী নামেৰে নামকৰণ কৰা হৈছিল। এই ঐতিহাসিক দিনটোৱে কেইবা প্ৰজন্মৰ ধাৰাবাহিকতা ৰক্ষা কৰা এটা শ্ৰব্য মাধ্যমৰ জনপ্ৰিয়তা আৰু দেশৰ সাংস্কৃতিক তথ্য আৰু সম্প্ৰচাৰৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব সম্পৰ্কে অৱলোকন কৰে। আকাশবাণীয়ে ৯০ বছৰ পূৰ্ণ কৰা এই গৌৰৱময় মুহূৰ্তত আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ এয়া এক প্ৰতিবেদন -

0000000

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ পাঁচখন জিলাৰ সীমান্তৱৰ্ত্তী অঞ্চলত ইণ্টাৰনেট আৰু মোবাইল সেৱা বন্ধ কৰিছে। যোৱা নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা অহা ৫ জুনলৈ বাহাল থাকিব। পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবাল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। মণিপুৰৰ গৃহ বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে নিৰাপত্তাজনিত কাৰণত জিলাকেইখনত এই ব্যৱস্থা গ্ৰহণ কৰা হয়। এই নিষেধাজ্ঞা উলংঘা কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলিও প্ৰকাশ কৰা হয়।

০০০০০০০

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১২খন জিলাৰ ৯০০খন গাঁৱৰ ৩ লাখতকৈও অধিক লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যত বছৰটোৰ প্ৰথমটো বানত ২৩জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত ৩০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। কামৰূপ জিলাত বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা আৰম্ভ কৰা হৈছে।

কাছাৰ জিলাত বানৰ ফলত ২০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। এতিয়াও কমেও ৭০খন গাঁৱত পৰিস্থিতি স্বাভাৱিক হোৱা নাই আৰু শিলচৰৰ ২০টা আশ্ৰয় শিবিৰত ভালেসংখ্যক লোকে আশ্ৰয় লৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শ্ৰীভূমি জিলাতো বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বছৰৰ প্ৰথমটো বানত জিলাখনত ১ লাখৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। পশ্চিম কাৰ্বি আংলং জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি উন্নত হৈছে। জিলাখনত বানৰ ফলত ৪৬খন গাঁৱৰ ১২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

শিৱসাগৰ, ধেমাজি, নগাঁৱকে ধৰি কেইবাখনো জিলাত নৈসমূহৰ জলপৃষ্ঠ বিপদসীমাতকৈ নিম্নগামী হোৱাৰ ফলত বান পৰিস্থিতি উন্নত হৈছে বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ এক্ট-ইষ্ট নীতিৰ অংশ হিচাপে উত্তৰ-পূবত যোগাযোগ ক্ষেত্ৰত বিস্তৰ পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে মিজোৰামত নিৰ্মীয়মান বৈৰবী-ছাইৰাং ৰে'লপথচোৱা ভাৰত-ম্যানমাৰ সীমান্তলৈ সম্প্ৰসাৰণৰ বাবে প্ৰাথমিক জৰীপ অব্যাহত আছে। ৰে'ল মন্ত্ৰালয়ে ম্যানমাৰ সীমান্তলৈ এই ৰে'লপথচোৱা সম্প্ৰসাৰণৰ সিদ্ধান্ত লৈছে। ৰে'লপথচোৱাৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে ম্যানমাৰ সীমান্তত মিজোৰামৰ দক্ষিণ অঞ্চলৰ পৰা সীমান্তৰ সিপাৰলৈ বাণিজ্য প্ৰসাৰত সুবিধা হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ৮ হাজাৰ ২১৫ কোটি টকাৰ ব্যয় ধাৰ্য কৰা এই ৰে'লপথ প্ৰকল্প নিৰ্মাণত এতিয়ালৈ ৭ হাজাৰ ৭১৪ কোটি টকা ব্যয় কৰা হৈছে আৰু জুলাই মাহৰ শেষৰ ফালে ৰে'লপথচোৱা মুকলি কৰাৰ সম্ভাৱনা আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৰূপায়ণ কৰা এই ৰেলপথ প্ৰকল্পত হৰটোকি, কন পুই, মুৱালখান আৰু ছাইৰাং শ্ৰীভূমি -এই চাৰিটা ষ্টেচন থাকিব। ৰে'লপথচোৱাই ৩২টা সুৰংগ, ৫৫খন মূল দলং আৰু ৮৯খন লঘু দলঙক সামৰি ল'ব। ইতিমধ্যে আটাইকেইটা ষ্টেচনৰ আন্তঃগাঁথনি নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে বুলি উত্তৰ পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই পকাশ কৰিছে। ইপিনে, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সুৰক্ষা আয়ুক্ত সুমিত সিংহালে যোৱা শুকুৰবাৰে ৰে'লপথচোৱাৰ কাম-কাজৰ পৰিদৰ্শন আৰম্ভ কৰিছে আৰু মঙলবাৰে এই পৰিদৰ্শন সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

**সমাপ্ত**